**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-01-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

- - - - - - - - - - - - - -

ৰাজ্য চৰকাৰে কৃষকসকলে আধুনিক কৃষি সঁজুলিৰ লাব কৰাটো সুনিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি আজাৰাৰ ৰাণী চাপৰিত উপস্থিত হৈ ব্ৰহ্মপুত্ৰৰ বিস্তৃৰ্ণ বালিচৰত অঞ্চলটোৰ কৃষকসকলে কৰা বিভিন্ন খেতি পৰিদৰ্শন কৰি এই দৰে প্ৰকাশ কৰে। তেওঁ কয় যে ট্ৰেক্টৰে কৃষিক অধিক লাভজনক কৰি তোলাত ভূমিকা পালন কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্য চৰকাৰে চাপৰিটোত বাস কৰা কৃষককলক ভূমি পট্টা আৱণ্টনৰ বাবে পদক্ষেপ লব। তেওঁ লগতে চাপৰিটোৰ বাবে ভাবুকি কঢ়িয়াই অনা খহনীয়াৰ সমস্যা সমাধানৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে চাপৰিটোৰ সৈতে সুচল যোগাযোগ ব্যৱস্থা স্থাপনৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে দলং নিৰ্মাণৰ সম্ভাৱনীয়তাৰ ওপৰতো অধ্যয়ন কৰিব। নতুন সৌৰশক্তিচালিত পাম্পেৰে সমগ্ৰ কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা গ্ৰহণ কৰা হব বুলিও ড° শৰ্মাই আশ্বাস দিয়ে। তেওঁ কয়, যে ৰাজ্য চৰকাৰে চাপৰিটোৰ কৃষকসকলৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে প্ৰয়োজনীয় বিপনন সংযোগ স্থাপনৰ বাবে পদক্ষেপ ল'ব। দিনযোৰা ভ্ৰমণকালত ড° শৰ্মাই গড়লস্থিত ব্ৰহ্মপুত্ৰ কলাকৃষ্টি সংঘৰ উদ্যোগত আয়োজিত ভোগালী বিহু উৎসৱ উদ্‌যাপনত অংশ লয়। তেওঁ লগতে সদিলাপুৰত নৱনিৰ্মিত দেৰকান্ত ভৱনটো উদ্বোধন কৰে। কানাই ঠাকুৰ নামঘৰৰ গাতে লাগি থকা এই ভৱনটোৱে সভা সমিতি আৰু অন্যান্য আধ্যাত্মিক অনুষ্ঠান স্থাপনৰ ক্ষেত্ৰত সেৰা আগবঢ়াব বুলি আশা কৰা হৈছে। ০০০

০০০

অসমীয়াৰ বাপতি সাহোন ভোগালী বিহু উপলক্ষে আজি সমগ্ৰ ৰাজ্যতে ব্যাপক উছাহ-উদ্দীপনাৰ পৰিৱেশ বিৰাজ কৰিছে। আজি পুৱাই ৰাইজে মেজি জ্বলাই অগ্নিক সেৱা কৰি নেদেখাজনৰ আশিস লয়। ইয়াৰ পাছতে কনিষ্ঠজনে জ্যেষ্ঠজনক সেৱা জনাই আশীৰ্বাদ লয়। সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক ভোগালী বিহুৰ মেজিৰ জুয়ে সমাজৰ পৰা অসূয়া অপ্ৰীতি দূৰ কৰি শান্তি আৰু সম্প্ৰীতি কঢ়িয়াই অনাৰ বাবে ৰাইজে কামনা কৰে।

০০০

বিনিয়োগ আৰু আন্তঃগাথনি শীৰ্ষ সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ আন্তৰ্ৰাষ্ট্ৰীয় প্ৰচাৰৰ উদ্দেশ্যে ৩ দিনীয়া ভ্ৰমণসূচীৰে মালয়েছিয়ালৈ যোৱা ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা তথা তথ্য প্ৰযুক্তি, বিজ্ঞান আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী কেশৱ মহন্তই আজি ভ্ৰমণৰ অন্তিম দিনা কোৱালালামপুৰত দেশখনৰ পৰ্যটন, কলা আৰু সংস্কৃতি উপমন্ত্ৰী খাইৰুল ফিৰদউছ্ আকবৰ খানক সাক্ষাৎ কৰে আৰু ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এই শীৰ্ষ সন্মিলনলৈ উপ মন্ত্ৰীগৰাকীক আমন্ত্ৰণ জনায়। সাক্ষাৎকালত তেওঁ অসম আৰু মালয়েছিয়াৰ মাজত পৰ্যটন ক্ষেত্ৰত সহযোগিতাৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। তেওঁ লগতে উপ

মন্ত্ৰীগৰাকীক মালয়েছিয়াৰ পৰ্যটন খণ্ডৰ  বিষয়াৰ সৈতে অসম ভ্ৰমণলৈ আহিবলৈ আমন্ত্ৰণ জনায়। এই আহ্বানৰ প্ৰতি আকবৰ খানে আশাব্যঞ্জক সঁহাৰি জনোৱা বুলিও শ্ৰীমহন্তই জানিবলৈ দিয়ে।

ইয়াৰ পূৰ্বে মন্ত্ৰী কেশৱ মহন্তই  কোৱালালামপুৰত মালয়েছিয়াৰ ডিজিটেল মন্ত্ৰী গোবিন্দ সিং দেউ আৰু ডিজিটেল উপ-মন্ত্ৰী উইছন ওগাক সাক্ষাৎ কৰে। তেওঁ লগতে ডিজিটেল উপ-মন্ত্ৰী উইছন ওগাৰ সৈতে অসম আৰু মালয়েছিয়াৰ মাজত তথ্য প্ৰযুক্তি খণ্ডত সহযোগিতা আৰু সমৰ্থন সন্দৰ্ভত বৈঠকত মিলিত হয়। বৈঠকত অত্যাধুনিক তথ্য প্ৰযুক্তি আৰু ছফ্‌টৱেৰ, ডাটা সুৰক্ষা, চাইবাৰ নিৰাপত্তা আদিকে ধৰি বিভিন্ন বিষয়ত আলোচনা কৰা হয়।

000

অৰুণাচল প্ৰদেশৰ উপ মুখ্যমন্ত্ৰী চাওনা মেইনে আজি মকৰ সংক্ৰান্তি উপলক্ষে লোহিত জিলাত পৰশুৰাম কুণ্ড মেলা ২০২৫ আনুষ্ঠানিকভাৱে মুকলি কৰে। এই উপলক্ষে উপ মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে পৰশুৰাম কুণ্ড পৰিদৰ্শনৰ বাবে অহা যাত্ৰীৰ সুবিধা বৃদ্ধি তথা কুণ্ডৰ পবিত্ৰতা সংৰক্ষণৰ উদ্দেশ্যে অঞ্চলটোৰ সামগ্ৰিক বিকাশৰ বাবে আনুমানিক ১৫০ কোটি টকা ব্যয় কৰা হ'ব। তেওঁ লগতে এই পবিত্ৰ ঠাইলৈ অহা হাজাৰ হাজাৰ তীৰ্থযাত্ৰীক আদৰণি জনায়।

000

জাগীৰোডৰ জোনবিলৰ পাৰত মাঘ বিহুৰ প্ৰথমটো বৃহস্পতিবাৰ  পৰহিলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক গোভা দেওৰজাৰ  জোনবিল মেলা অনুষ্ঠিত হ'ব। পৰহিলৈ পুৱাই পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিব।  মেলাৰ প্ৰথম দিনৰ কাৰ্যসূচী ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই অংশ লব।  ১৭ জানুৱাৰীৰ কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হ'ব আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ২২ গৰাকী তিৱা ৰজাক ৰাজভাট্টা প্ৰদান কৰা হব। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব অনুষ্ঠিত হ'ব। ইয়াৰ লগতে বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব।

000

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি দি বৰপেটা ৰোড ক্লাৱৰ সোণালী জয়ন্তী উদযাপন অনুষ্ঠানত অংশ লয়। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে এখন সুস্থ তথা গতিশীল সমাজ গঢ়াৰ ক্ষেত্ৰত ক্লাৱ এটা যি অৰিহণা হব লাগে দি বৰপেটা ৰোড ক্লাৱ তাৰ জলন্ত উদাহৰণ বুলি উল্লেখ কৰে। ক্লাৱটোৱে অনাগত দিনটোৱে সমাজৰ হিতৰ বাবে একেধৰণৰ ভূমিকা পালন কৰি যাব বুলি তেওঁ আশা প্ৰকাশ কৰে।

000

ভাৰতীয় মহিলা খো খো দলে আজি সন্ধিয়া নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইন্দোৰ ষ্টেডিয়ামত অনুষ্ঠিত খো খো বিশ্বকাপৰ নিজৰ প্ৰথমখন খেলত দক্ষিণ কোৰিয়াক ১৭৫ - ১৮ পইণ্টৰ ব্যৱধানত  পৰাস্ত কৰে। ভাৰতে খেলখনত টছত জিকি প্ৰথমৰ পৰাই আধিপত্য বিস্তাৰ কৰে।

000

সমাপ্ত